অঘৰী আত্মাৰ কাহিনী

চেনেহী দেৱী স্মাৰক গ্ৰন্থাগাৰ
স্থাপিত-১৯৯২ চন
প্ৰতিষ্ঠাপক:-শ্ৰী [illegible] শৰ্মা

চৈয়দ আব্দুল মালিক

গুৱাহাটী বুক ষ্টল
শিলপুখুৰী, গুৱাহাটী-৩

Aghari Atmar Kahini—A novel in Assamese written by Prof. Syed Abdul Malik and Published by Bangshidhar Sarmah for M/s Gauhati Book Stall, Gauhati-3.

প্ৰকাশক :
শ্ৰীবংশীধৰ শৰ্মা
গুৱাহাটী বুক ষ্টল
পানবজাৰ, গুৱাহাটী-৩

প্ৰথম প্ৰকাশ :
মাৰ্চ, ১৯৬৯ চন

বেটুপাতৰ ছবি :
শ্ৰীত্ৰৈলোক্য দত্ত
গুৱাহাটী

মুদ্ৰক :
শ্ৰীৰাধানাথ সাঁতৰা
সাৰদা প্ৰিণ্টিং ৱৰ্কছ
কলিকতা-৬

মূল্য : চাৰি টকা মাত্ৰ

কাহিনি

অঘৰী আত্মাৰ কাহিনী মোৰ ভতিজা নাহাৰমাৰ হাতত দিলোঁ।

যোৱা কুৰি বছৰৰো অধিক কাল নিজৰ ঘৰ-সংসাৰ, লৰা-ছোৱালীৰ জা-জঞ্জালৰ লগত মোৰ অনিয়মীয়া জীৱনটোৰো নানা জঞ্জাল নিৰৱে সহ্য কৰি থকাৰ বাবে অন্য একো দিব পৰাৰ শক্তি মোৰ নাই।

চেনেহৰ ধাৰ শুজাৰ প্ৰশ্নই নুঠে।

জে, বি, কলেজ,
যোৰহাট
১০|৩|৬৯ চন

—মালিক দদাইতি

মালিকৰ কিতাপবোৰ

উপন্যাস ঃ

১। অঘৰী আত্মাৰ কাহিনী।
২। ওমলা ঘৰৰ ধূলি।
৩। ৰথৰ চকৰি ঘূৰে।
৪। বন জুই।
৫। ছবিঘৰ।
৬। মাটিৰ চাকি।
৭। কণ্ঠহাৰ।
৮। জীয়া-জুৰিৰ ঘাট।
৯। ৰজনীগন্ধাৰ চকুলো।
১০। অন্য আকাশ অন্য তৰা।
১১। বিহমেটেকাৰ ফুল।
১২। ধোৱা নিদান।
১৩। ত্ৰিশূল।
১৪। সূৰ্যমুখীৰ স্বপ্ন।
১৫। ৰূপতীৰ্থৰ যাত্ৰী (১ম খণ্ড)।
১৬। ৰূপতীৰ্থৰ যাত্ৰী (২য় খণ্ড)।
১৭। ৰূপতীৰ্থৰ যাত্ৰী (৩য় খণ্ড)।
১৮। আধাৰ শিলা।
১৯। জয়া মণিকা ইত্যাদি।
২০। প্ৰাচীৰ আৰু প্ৰান্তৰ।
২১। ডক্টৰ অৰুণাভৰ অসম্পূৰ্ণ জীৱনী।
২২। কবিতাৰ নাম লাভা।
২৩। সিপাৰে প্ৰাণ সমুদ্ৰ।
২৪। তীৰ্থযাত্ৰী (অনুবাদ)।
২৫। অৰণ্য দেৱতা (অনুবাদ)।

চুটিগল্প সংগ্ৰহ ঃ

২৬। পৰশমণি।

২৭। একজনী নতুন ছোৱালী।

২৮। ৰঙাগৰা।

২৯। মৰহা পাপৰি।

৩০। অস্থায়ী আৰু অন্তৰা।

৩১। শিখৰে শিখৰে।

৩২। শিল আৰু শিখা।

৩৩। প্ৰাণাধিকা।

৩৪। মৰম মৰম লাগে।

৩৫। ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ।

৩৬। বহুত বেদনা এটোপা চকুলো

নাটক ঃ

৩৭। ৰাজদ্ৰোহী।

৩৮। আলহী ঘৰ।

৩৯। জনতা বধ ভাওনা।

৪০। আধা আঁকা ছবি।

৪১। মকৰাজাল।

কবিতা সংগ্ৰহ ঃ

৪২। বেদুইন।

৪৩। বান্দৰ।

শিশুৰ গল্প সংগ্ৰহ ঃ

৪৪। মুকলি মনৰ সাধু।

অন্যান্য গ্ৰন্থসমূহ ঃ

৪৫। অসমীয়া জিকিৰ আৰু জাৰী।

৪৬। মাজত মাথোন হিমালয় (কচ ভ্ৰমণ কাহিনী)।

৪৭। চিৰকুমাৰ সভা (ৰবীন্দ্ৰনাথৰ অনুবাদ)।

৪৮। ভাৰতীয় শিক্ষাৰ পুনৰ্গঠন (অনুবাদ)।……ইত্যাদি।

॥ এক ॥

ডেকা মানুহজনে এটা খদ্দৰৰ দীঘল কুৰ্ত্তা পিন্ধিছিল। চোলাটো তেওঁৰ গালৈ কিছু ঢিলা আৰু পুৰণি, আস্তিনকেইটা বহল। চোলাটো কান্ধৰ ওচৰতে অলপ ফাটিছিল। বুকুৰ জেপটোত ফাউণ্টেন পেনৰ সোণালী ক্লিপটো জিলিকি আছিল।

পুৰণি যদিও চোলাটো মলিয়ন নহয়, পৰিষ্কাৰ।

ডেকাজনৰ মুখখন অলপ দীঘল চানেকীয়া। বৰণ তেজগোৰা, চকুত কিছু 'বেছি পাৱাৰৰ এযোৰ চশ্‌মা। ফ্ৰেমটো মিহি, সোণালী বৰণৰ। চশ্‌মাযোৰে মুখখনৰ আকৃতি-প্ৰকৃতিত কোনো অস্বাভাৱিকতাৰ সৃষ্টি কৰা নাই।

তেওঁৰ চুলিখিনি ক'লা আৰু অলপ কেঁকোৰা। দেখিলে চুলিখিনিৰ প্ৰতি তেওঁ বিশেষ যত্ন লয় যেন নেলাগে। চুলিখিনি সামান্য বিশৃংখল হৈ আছে, সেই বুলি বৰ অপৰিপাটি নহয়।

গাল মুখৰ বৰণ চাই তেওঁৰ ওঁঠ দুটা কিছু নিস্তেজ যেন দেখি। ওঁঠ দুটা অলপ সৰু। সৰু ওঁঠ যদি বুদ্ধিমত্তাৰ পৰিচায়ক হয়, তেন্তে ডেকাজনক দেখিলে বুদ্ধিমান বুলি যি ধাৰণা হয়, ওঁঠ দুটাই সেই ধাৰণাক দৃঢ়হে কৰে।

ডেকাজনে নিৰঞ্জন ৰাউতৰ পদূলি মুখত নতুন ফিয়াট গাড়ীখন

ৰাখি সহজ ভাবেই সক চোতালখন পাৰ হৈ সোমাই আহি বাৰাণ্ডাত থিয় দিলেহি। আৰু এবাৰ অলপ ইফালে সিফালে চাই মাতিলে, "ঘৰত কোন আছে ?"

গাড়ীখন ৰোৱাৰ শব্দ শুনিয়ে তেওঁলোকৰ ঘৰলৈকে কোনোবা আহিছে বুলি বুজি অপৰাজিতাই খিৰিকীৰ পৰ্দাৰ ফাকেদি অভ্যাগতৰ ফালে চাই আছিল। ডেকাজনে মাত দিয়া শুনি গাৰ কাপোৰ ঠিক কৰি লৈ আৰু লাচতে আৰ্চীত নিজক এবাৰ চাই লৈ, ক'লা গগল্‌ছযোৰ পিন্ধি ভিতৰৰ পৰা ওলাই আহিল, আৰু থিয় হৈ থকা অচিনাকি ডেকাজনৰ ফালে চাই সামান্য হাঁহিৰ ৰেখা চকু-মুখত বিৰিঙাই লৈ কলে, "আপুনি কাক বিচাৰিছে ?"

"এইয়া নিৰঞ্জন খাউণ্ডৰ ঘৰ হয় ?"

"হয়। ভিতৰলৈকে আহক, বহক।"

"তেখেত ঘৰত নাই নেকি ?"

"তেখেত আহি পাবৰ হৈছে। এই পাবহিয়ে।"

ডেকাজন সক ড্ৰয়িং ৰুমটোলৈ সোমাই গ'ল আৰু বিশেষ ভূমিকা নকৰি বেতৰ চকী এখনতে সহজভাবে বহিল।

অপৰাজিতাই তেওঁৰ মুখৰ ফালে চাই থকাটো অনুভৱ কৰি ভেকাই কলে, "আপুনি মোক চিনি নেপাব। ময়ো আপোনাক ভালকৈ চিনি পোৱা নাই। মোৰ নাম শশাঙ্ক চৌধুৰী, আপুনিয়ে বোধকৰো মিচেছ খাউণ্ড ?"

"হয়—মই এটোপা চাহ কৰো, আপুনি অকণমান বহক" অপৰাই কলে। ডেকাজনৰ নামটো জনাৰ পিছতো, তেওঁ কোন, ক'ৰপৰা আহিছে, খাউণ্ডৰ লগত কিবা চিনা-জনা আছেনে নাই, একো বুজিব নোৱাৰিলে। শশাঙ্কক দেখিলেই বহুত দিনৰ চিনাকি যেন লাগে। সেই কাৰণেই অপৰাৰ তেওঁক ৰব আচহুৱা যেন নেলাগিল।

সাউংকৰে ভিতৰলৈ গৈ বটা এটাতে ইলাচী ছুটামান দি অপৰাই